চৰকাৰী প্ৰতিষ্ঠান সম্পৰ্কীয় সমিতি
(Committee on Public Undertaking)

গঠন (Composition): ভাৰতবৰ্ষত ১৯৬৩ চনত কৃষ্ণ মেনন সমিতি (Krishna Menon Committee)ৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি সংসদে চৰকাৰী প্ৰতিষ্ঠান সম্পৰ্কীয় সমিতি (Committee on Public Undertaking) খন গঠন কৰিছিল। লোকসভাৰ পৰা ১০ জন আৰু ৰাজ্যসভাৰ পৰা ৫ জন মুঠ ১৫ জন সদস্যৰে চৰকাৰী প্ৰতিষ্ঠান সম্পৰ্কীয় সমিতিখন গঠন কৰা হৈছিল। সমিতিৰ সদস্যসকলক আনুপাতিক প্ৰতিনিধিত্বমূলক একক হস্তান্তৰযোগ্য ভোটদান ব্যৱস্থাৰে নিৰ্বাচন কৰা হয়।

কাৰ্যকাল (Tenure): সমিতিখনৰ সদস্যসকলক পাঁচবছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচন কৰা হয় যদিও সদস্যসকলৰ এক পঞ্চমাংশই প্ৰতিবছৰে অৱসৰ গ্ৰহণ কৰিব লাগে।

কার্যাৱলী (Function): চৰকাৰী প্রতিষ্ঠান সম্পর্কীয় সমিতিখনে নিম্নোক্ত কার্যসমূহ পালন কৰে—

(১) নিয়ন্ত্রণ আৰু মহালেখা পৰীক্ষকে চৰকাৰী প্রতিষ্ঠানসমূহৰ ওপৰত আগবঢ়োৱা প্রতিবেদন পুনৰীক্ষণ কৰিব লাগে।

(২) সমিতিখনে চৰকাৰী প্রতিষ্ঠানবিলাকৰ নীতি, কার্যপ্রণালী আদিৰ প্রতি লক্ষ্য ৰাখিব লাগে।

(৩) চৰকাৰী প্রতিষ্ঠানসমূহলৈ মঞ্জুৰ কৰা স্বশাসন আৰু সেইবোৰৰ পাৰদর্শিতাৰ সৈতে সংগতি ৰাখি সিবিলাকৰ কাম-কাজসমূহ নিৰাপদ বাণিজ্যিক নীতি অনুসৰি পৰিচালিত হৈছে নে নাই সেই বিষয়ে সমিতিখনে পৰীক্ষা চলাব লাগে।

(৪) সময়ে সময়ে লোকসভাৰ অধ্যক্ষই এই সমিতিৰ ওপৰত ন্যস্ত কৰা কার্যবিলাক সমিতিখনে নিয়াৰিকৈ সম্পাদন কৰিব লাগে।

(৫) এই প্রসংগতে উল্লেখ কৰিব পাৰি যে চৰকাৰী প্রতিষ্ঠান সম্পর্কীয় সমিতিখনৰ কার্যাৱলী ইয়াৰ ক্ষেত্রাধিকাৰৰ ভিতৰত সীমাবদ্ধ কৰা হয়। দামোদৰ উপত্যকা নিগম (Damodor Valley Corporation), ঔদ্যোগিক বিত্ত নিগম, ভাৰত আন্তৰাষ্ট্রীয় কেন্দ্রীয় পণ্যাগাৰ আয়োগ, ভাৰতীয় জীৱন বীমা আয়োগ, তেল আৰু প্রাকৃতিক গেছ আয়োগ নিগম, হিন্দু আকাশীযান সীমিত সমিতি, ভাৰত ইলেকট্রনিকচ, মুম্বাই আৰু সকলোবিলাক চৰকাৰী প্রতিষ্ঠান এই সমিতিখনৰ ক্ষেত্রাধিকাৰৰ অন্তর্গত।